অধ্যায় ৪ ঃ কুমাৰসম্ভৱম্ তৃতীয়সর্গৰ শ্লোক (৩১-৪০)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ কুমাৰসম্ভৱৰ তৃতীয়সর্গৰ (৩১-৪০) শ্লোকসমূহৰ সংস্কৃত পাঠ
৪.৩.১ শ্লোকসমূহৰ (৩১-৪০) গদ্যপাঠ
৪.৩.২ শ্লোকসমূহৰ (৩১-৪০) শব্দার্থ
৪.৩.৩ শ্লোকসমূহৰ (৩১-৪০) অসমীয়া অনুবাদ
৪.৪ ব্যাকৰণগত টোকা
৪.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (৩১-৪০) বিষয়বস্তু
৪.৬ মহত্বপূর্ণ শ্লোকৰ ভাৱার্থ
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ (৩১-৪০) সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব। লগতে গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- কুমাৰসম্ভৱৰ তৃতীয়সর্গৰ এটি অংশৰ বিষয়বস্তুৰ আভাস পাব
- শ্লোকসমূহৰ কঠিন শব্দবোৰৰ ব্যাকৰণগত বিশ্লেষণৰ লগত অৱগত হ'ব
- কুমাৰসম্ভৱৰ তৃতীয়সর্গত থকা অকালবসন্তৰ একাংশ পঢ়িবলৈ পাব।

৪.২ পৰিচয়

আপুনি ইতিমধ্যে কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয়সর্গৰ (১৬-৩০) লৈকে শ্লোকসমূহ অধ্যয়ন কৰিলে। শ্লোকসমূহত ইন্দ্র আৰু কামদেৱৰ কথোপকথন আৰু অকালবসন্তৰ এটা অংশও পঢ়িবলৈ পালে।

এই অধ্যায়ত আপুনি তৃতীয়সর্গৰে (৩১-৪০) লৈকে শ্লোকসমূহ অধ্যয়ন কৰিব পাৰিব। শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে প্রতিটো শব্দৰ অর্থ আৰু অসমীয়া অনুবাদে পঢ়িবলৈ পাব লগতে শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণো জানিব পাৰিব। ইয়াৰোপৰি

অকালবসন্তত প্ৰকৃতিৰাজ্যত হোৱা বিভিন্ন ক্ৰিয়া, শিৱৰ সমাধিভঙ্গত মদনৰ অৱস্থাৰ বিষয়ে অৱগত হ'ব পাৰিব।

৪.৩ কুমাৰসম্ভৱৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ (৩১-৪০) সংস্কৃত পাঠ

এতিয়া আপুনি কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ (৩১-৪০)ৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল—

পুংস্কোকিল = পুমান্ কোকিলঃ মতা কুলি চৰাই

মৃগাঃ পিয়ালদ্রুমমঞ্জৰীণাং ৰজঃ কণৈর্বিধ্নিচদৃষ্টিপাতাঃ
মদোদ্ধতাঃ প্রত্যনিলং বিচেৰুর্বণস্থলীর্মমৰপত্রমোক্ষা ।। ৩১।।
চুতাঙ্কুৰাস্বাদকষায়কণ্ঠঃ **পুংস্কোকিলো** য়ন্মমধুৰং চুকুজ।
মনস্বিনীমানবিঘাতদক্ষং তদেৱ জাতং বচনং স্মৰস্য।। ৩২।।
হিমব্যপায়াদ্বিশদাধৰানামাপাণ্ডুৰীভূতমুখচ্ছবীনাম্।
স্বেদোদ্গমঃ কিম্পুৰুষাঙ্গনানাং চক্রেপদং পত্রবিশেষ কেষু ।। ৩৩।।
তপস্বিনঃ স্তানুৱনৌকসস্তামাকালিকীং বীক্ষ্য মধুপ্রবৃত্তিম্।
প্রযত্ন সংস্তমিভত বিক্রিয়ানাং কথঞ্চিদীশা মনসাং বভূবুঃ ।। ৩৪।।
তং দেশমাৱোপিত পুষ্প চাপে ৰতি দ্বিতীয়ে মদনে প্রপন্নে।
কাষ্ঠাগতস্নেহৰসানুবিদ্ধং দ্বন্দ্বানি ভাৱং ক্রিয়য়া বিবব্রু ।। ৩৫।।
মধুদ্বিৰেফ কুসুমৈকপাত্রে পপৌ প্রিয়াং স্বামনুবর্ত্তমানঃ।
শৃঙ্গেন চ স্পর্শনিমীলিতাক্ষীং মৃগীমকণ্ডুয়ত কৃষ্ণসাৰঃ ।। ৩৬।।
দদৌ ৰসাত্ পঙ্কজৰেণুগন্ধি গজায় গণ্ডুষজলং কৰেণুঃ।
অর্দ্ধোপভুক্তেন বিসেন জায়াং সম্ভাৱয়ামাস ৰথাঙ্গনামা ।। ৩৭।।
গীতান্তৰেষু শ্রমকাৰিলেশৈঃ কিঞ্চিতৎ সমুচ্ছাসিতপত্র লেখম্।
পুষ্পাসৱাঘূর্ণিতনেত্রশোভি প্রিয়ামুখং কিম্পুৰুষশ্চুচুম্বে ।। ৩৮।।
পর্যাপ্ত পুষ্পস্তৱকস্তনাভ্যঃ স্ফুৰৎ প্রবালাষ্ঠ-মনোহৰাভ্যঃ।
লতাবধূভ্যস্তৰবোহপ্যবাপুর্বিনম্রশাখাভুজবন্ধনানি ।। ৩৯।।
শ্রুতাপ্সৰোগীতিৰপি ক্ষণেহস্মিন্ হৰঃ প্রসংখ্যান পৰোবভূব।
আত্মেশ্বৰানাং ন হি জাতু বিঘ্নাঃ সমাধিভেদ প্রভৱো ভৱন্তি ।। ৪০।।

৪.৩.১ শ্লোকসমূহৰ (৩১-৪০) গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা 'কুমাৰসম্ভৱ' মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব—

৩১) প্রিয়ালদ্রুমমঞ্জৰীণাং ৰজঃকণৈঃ বিঘ্নিত দৃষ্টিপাতাঃ
মদোদ্ধতাঃ মৃগাঃ প্রত্যনিলং মর্মৰ পত্রমোক্ষাঃ বনস্থলীঃ বিবেৰ্দ্ধঃ।
৩২) চূতাঙ্কুৰাস্বাদকষায়কণ্ঠঃ পুংস্কোকিলঃ যৎ মধুৰং

চূকূজ তৎ এব মনস্বিনীমানবিঘাত দক্ষং স্মৰস্য বচনং জাতম্।

৩৩) হিমব্যপায়াৎ বিশদাধৰাণাম্ আপাণ্ডৰীভূতমুখচ্ছৱীনাং
কিম্পুৰুষাঙ্গনানাং পত্রবিশেষকেষু স্বেদোদ্গমঃ পদং চক্রে।

৩৪) স্থাপুবনৌকসঃ তপস্বিনঃ তাম্ আকালিকীং মধুপ্রবৃত্তিং
বীক্ষ্য প্রযত্নসংস্তম্ভিতবিক্রিয়াণাং মনসাং কথঞ্চিৎ ঈশাঃ বভূবুঃ।

৩৫) আৰোপিতপুষ্পচাপে ৰতিদ্বিতীয়ে মদনে তং দেশং প্রপন্নে
দ্বন্দানি কাষ্ঠাগতস্থে২ৰমানুবিদ্ধং ভাৱং ক্রিয়য়া বিব্রবুঃ।

৩৬) দ্বিৰেফঃ কুসুমৈকপাত্রে মধু স্বাং প্রিয়াম্ অনুবর্তমানঃ
পপৌ। কৃষ্ণসাৱঃ চ স্পর্শনিমীলিতাক্ষীং মৃগী শৃঙ্গেণ অকণ্ডুয়ৎ।

৩৭) ৰসাৎ কৰেণুঃ পংকজৰেণুগন্ধি গঞ্জুষজলং দদৌ। ৰথাঙ্গনামা
অর্ধোপভুক্তেন বিসেন জায়াং সম্ভাৱয়ামাস।

৩৮) কিম্পুৰুষঃ গীতান্তৰেষু শ্রমবাৰিনৈশৈঃ কিঞ্চিৎসমুচ্ছ্ বাসিত
পত্রলেখং পুষ্পাসবাঘুর্ণিতনেত্রশোভি প্রিয়ামুখং চুচুম্বে।

৩৯) তৰবঃ অপি পর্যাপ্তপুষ্পস্তবকস্তনাভ্যঃ স্ফুৰৎ প্রবালোষ্ঠমনো
হৰাভ্যঃ লতাবধূভ্যঃ বিনম্রশাখাভুজবন্ধনানি অবাপুঃ।

৪০) অস্মিন্ ক্ষণে শ্রুতাপ্সৰোগীতিঃ অপি হৰঃ প্রসংখ্যানপৰঃ বভূব
আত্মেশ্বৰাণাং বিঘ্নাঃ জাতু সমাধিভেদপ্রভবঃ ন ভৱন্তি।

৪.৩.২ শ্লোকসমূহৰ (৩১-৪০) শব্দার্থ

৩১) পিয়াল দ্রুমমঞ্জৰীনাং (পিয়াল গছৰ ফুলৰ ৰেণুৰে), ৰজঃ কণৈঃ বিঘ্নিতদৃষ্টিপাতাঃ (ৰেণুৰ দ্বাৰা দৃষ্টি বিঘ্নিত হোৱা), মদোদ্ধতাঃ (মদমত্ত বা আনন্দতে মতলীয়া হোৱা), মৃগাঃ (হৰিণবিলাকে), মর্মৰপত্রমোক্ষাঃ (শুকান পাতৰ ওপৰত মৰ্ মৰ্ শব্দ কৰি), বনস্থলীম্ (বননিত), প্রত্যনিলং (বতাহৰ বিপৰীতে), বিচুৰুঃ (দৌৰিছিল)।

৩২) চুতাঙ্কুৰাস্বাদকষায়কণ্ঠঃ (আমৰ কলি ভক্ষণ কৰি সুৰঁদী হোৱা কণ্ঠেৰে), পুংস্কোকিলঃ (মতা কুলি চৰায়ে), যত্ মধুৰং চুকুজ (যি মধুৰ মাত মাতিছিল), তত্ এৱ (সেইটোৱেই), মনস্বিনীমানবিঘাতদক্ষং (অভিমানী তিৰোতাৰো অভিমানভঙ্গ কৰাত দক্ষ), স্মৰস্য (কামদেৱৰ) বচনং (মাত যেন) জাতম্ (হৈছিল)।

৩৩) হিমব্যাপায়াত্ (শীতকাল আতৰি যোৱাত), বিশদাধৰানাম্ (যাৰ ওঠ নির্মল) আপাণ্ডৰীভূতমুখচ্ছবীনাং (অতি বগা আৰু সেইবাবে সুন্দৰ হোৱা মুখচ্ছবি), কিম্পুৰুষাংগনানাং (কিন্নৰ ৰমনীসকলৰ), পত্রবিশেষকেষু (প্রসাধনত কপালৰ ফোঁটবিলাক), স্বেদোদ্গমঃ (ঘামৰ কণিকা বিৰিঙি), পদং চক্রে (প্রসাধন বিলাক সামান্য বিগলিত কৰিছিল।

৩৪) স্থানুবনৌকস) (মহাদেৱৰ আশ্রমত বাস কৰা) তপস্বিনঃ (তপস্বীসকলে), তাম্ (সেই), অকালিকীং (অকালতে আবির্ভাৱ হোৱা), মধুপ্রবৃত্তিং বীক্ষ্য (বসন্ত ঋতুৰ সম্ভাৱ দেখি) প্রয়ন্তসংস্তম্ভিতবিক্রিয়ানাং (যত্নেৱে মনৰ বিকাৰক সম্বৰণ কৰি), মনসাং (মনবোৰক), কথঞ্চিদ্ (কোনোৰকমে) ঈশাঃ বভূবুঃ (নিয়ন্ত্রণ কৰিবলৈ সক্ষম হৈছিল।

৩৫) আৱোপিতপুষ্পচাপে (মেলিধৰা ফুলৰ ধনুৱে সৈতে), ৰতিদ্বিতীয়ে (পত্নী ৰতিৰে সৈতে), মদনে (কামদেৱে), তং দেশং (সেই ঠাইত), প্রপন্নে (উপস্থিত হোৱাত), দ্বন্দ্বানি (যোৰ সমূহে), কাষ্ঠাগতস্নেহৰসানুবিদ্ধং থোপ খাই থকা স্নেহ অনুভৱ কৰি), ভাৱং (সেই ভাৱ), ক্রিয়ায়া (কিছুমান কার্যৰ দ্বাৰা), বিবব্রুঃ (প্রকাশ কৰিছিল।)

৩৬) দ্বিৱেফঃ (ভোমোৰাই), স্বাং প্রিয়াং (নিজৰ প্রিয়াৰ সৈতে), অনুবর্ত্তমানঃ (অনুসৰণ কৰি গৈ), কুসুমৈকপাত্রে (ফুলৰ একেটা পাত্রতে), মধু পপৌ (মৌ পাণ কৰিবলৈ আৰম্ভ কৰিছিল), কৃষ্ণসাৰঃ (কৃষ্ণসাৰ পহুৱে), স্পর্শনিমিলিতাক্ষীং (স্পর্শসুখত চকু মুদি দিছিল), মৃগী (মাইকী পহুজনীক), শৃঙ্গেন (শিঙেৱে), অকণ্ডুয়ত (খজুৱাই দিছিল।)

৩৭) কৱেণুঃ (মাইকী হাতীজনীয়ে), ৱসাত্ (অতিশয় মৱমৰ কাৰণে), পঙ্কজৱেণুগন্ধি (পদুমফুলৰ ৱেণুৱে সুগন্ধিত), গণ্ডুষজলং (তাইৰ শুৱত ধৰা পানী), গজায় দদৌ (মতা হাতীটোক দিছিল), ৱথাঙ্গনামা (মতা চক্রুবাক চৰাইটোৱে অর্দ্ধোপভুক্তেন (আধাখোৱা), বিসেন (পদুমৰ ঠাৰিৱে), জায়াং (পত্নীক) সম্ভাৱয়ামাস (সম্ভাষণ জনাইছিল)।

৩৮) কিম্পুৰুষঃ (কিন্নৰসকলে), শ্রমবাৰিলেশৈঃ (ঘামৰ কণিকাৰ দ্বাৰা), কিঞ্চিত্ সমুচ্ছাসিতপত্রলেখং (কিছু পৰিমাণে প্রসাধন ধুই পেলোৱা), পুষ্পাসবাঘূর্ণিতনেত্রশোভি (ফুলৰ ৰস পাণ কৰি তিৰ্বিৰাই থকা চকুৱে সুশোভিত), প্রিয়ামুখং (প্রিয়তমা পত্নীসকলৰ মুখত), গীতান্তৱেষু (গীতৰ মাজে মাজে), চুচুম্বে (চুম্বন কৰিছিল।)

৩৯) তৰবঃ অপি (গছবিলাকেও), পর্যাপ্তপুষ্পস্তৱকস্তনাভ্যঃ (পর্যাপ্ত পুষ্পস্তৱক সদৃশ স্তনেৱে সমৃদ্ধ), স্ফুৰত্ প্রবালোষ্ঠমনোহৰাভ্যঃ (কুমলীয়া প্রবালৰ নিচিনা ৰঙচুৱা পাতৰ দৱে মনোহাৰী ওঠেৱে সমৃদ্ধ), লতাবধূভ্যঃ (লতাৰূপী পত্নীসকলক), বিনম্রশাখাভুজবন্ধনানি (তললৈ হালি থকা ডালৰূপী বাহুৰ বন্ধন), অবাপুঃ প্রাপ্ত কৰাইছিল)।

৪০) অস্মিন্ক্ষণে (এই মুহূর্ততো), হৰঃ (মহাদেৱে), শ্রুতাপ্সৰৱোগীতিঃ অপি (অপ্সৰাসকলৰ গীত শুনিও), প্রসংখ্যানপৰঃ বভুবঃ নিজৰ সাধনাত অচল হৈ আছিল), বিঘ্নাঃ (বিঘিণিয়ে), জাতুঃ (বিঘিনিয়ে), আত্মেশ্বৰাণাং (আত্মসংযমী

পুৰুষসকলৰ ক্ষেত্ৰত), সমাধিভেদ প্ৰভৱঃ (কেতিয়াও সমাধি ভঙ্গৰ প্ৰভাৱ), ন ভৱন্তি (নেপেলায়)।

৪.৩.৩ শ্লোকসমূহৰ (৩১-৪০) অসমীয়া অনুবাদ

৩১) পিয়ল গছৰ ফুলৰ পৰাগৰেণুৰ দ্বাৰা দৃষ্টিত বাধা পোৱা মদমত্ত মৃগবিলাকে বতাহৰ বিপৰীতে গছৰ শুকান পাতৰ মৰ্ মৰ্ শব্দেৰে ধ্বনিত হৈ বনস্থলীত বিচৰণ কৰিছিল।

৩২) আমৰ কলি ভক্ষণ কৰি সুললিত হোৱা কণ্ঠেৰে মতা কুলি চৰাইটোৱে যি মাত মাতিছিল সেই মাতটোৱে অভিমানী তিৰোতাৰ মান ভঙ্গ কৰিবলৈ সক্ষম কামদেৱৰ কথাযেনহে প্ৰতিভাত হৈছিল।

৩৩) শীতকাল আতৰি যোৱাত কিন্নৰ ৰমনীসকলৰ অধৰ নিৰ্মল আৰু মুখ লাৱণ্য বগা বৰণৰ হৈ পৰিছিল। গৰমৰ বাবে তেওঁলোকৰ অঙ্গানুলেপনত ঘামৰ বিন্দুৱে দেখা দিছিল।

৩৪) মহাদেৱৰ আশ্ৰমত বাসকৰা তপস্বীসকলে অকালতে আৱিৰ্ভাৱ হোৱা বসন্তৰ পয়োভৰ দেখি অতিশয় কষ্টেৰে ইন্দ্ৰিয়সমূহক বিষয়ৰ পৰা আতৰাই আনি কোনোমতেহে নিজৰ মনৰ ওপৰত কৰ্তৃত্ব স্থাপন কৰিবলৈ সমৰ্থ হৈছিল।

৩৫) ফুলৰ ধেনু সমন্বিতে ৰতিক লগত লৈ কামদেৱ শিৱৰ আশ্ৰমত উপস্থিত হোৱাত ভোমোৱাসমূহৰ অন্তৰত থুপ খাই থকা উৎকৃষ্ট প্ৰেমৰস বাহ্যিক ক্ৰিয়াৰ দ্বাৰা প্ৰকাশ কৰিছিল।

৩৬) ভোমোৱাই ফুলৰ একেটা পাত্ৰতে নিজৰ প্ৰিয়তম পত্নীক অনুসৰণ কৰি গৈ মৌপান কৰিছিল। কৃষ্ণসাৰ পহুৱে স্পৰ্শমুখত চকু আধাজাপখোৱা মৃগীক শিঙেৰে খজুৱাই দিছিল।

৩৭) হস্তিনীয়ে পদুমফুলৰ ৰেণুৰে সুগন্ধিত হৈ থকা পানী শুৱত লৈ আবেগবশতঃ মতাহাটীটোৰ গালৈ চতিয়াই দিছিল। চক্ৰৱাক চৰায়ে নিজৰ পত্নীক আধাখোৱা পদুমৰ মৃণালৰ দ্বাৰা সম্ভাষণ জনাইছিল।

৩৮) কিন্নৰসকলে গীত গোৱাৰ মাজে মাজে তেওঁলোকৰ পত্নীসকলক চুম্বণ কৰিছিল। শ্ৰমৰ বাবে ঘামৰ কণিকাই মুখৰ তিলক কিছু পৰিমাণে বিগলিত হৈছিল আৰু মদ্যপাণৰ বাবে নেত্ৰ ঘূৰ্ণিত হোৱাত মুখৰ বেশ সুন্দৰ দেখা গৈছিল।

৩৯) স্তন সদৃশ পৰ্যাপ্ত পৰিমাণে ফুলৰ থোপাৰে সমৃদ্ধা, প্ৰবালৰ দৰে ৰঙাবৰণৰ কুঁহিপাতসদৃশ ওঠেৰে সুশোভিতা বধূৰূপী লতা গছবিলাকক তললৈ হালি পৰা শাখাৰূপ বাহুৰে আলিঙ্গন কৰিছিল।

৪০) এই মুহূৰ্ততো অপ্সৰাসকলৰ গীত শুনি আত্মোপলব্ধি কৰা আত্মসংযমী মহাদেৱৰ তপস্যা ভঙ্গ কৰাত কোনো প্ৰভাৱ পেলাব পৰা নাছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কৱেণু শব্দৰ অর্থ লিখক।

.....

প্রশ্ন নং ২ঃ 'ৰথাঙ্গানামা' শব্দটিৰ সংস্কৃত প্রতিশব্দ লিখক।

.....

প্রশ্ন নং ৩ঃ 'চূত' শব্দই কি বুজায়।

.....

প্রশ্ন নং ৪ঃ দ্বিৰেফ মানে কি?

.....

প্রশ্ন নং ৫ঃ 'ঈশঃ' শব্দই কাক বুজাইছে?

.....

প্রশ্ন নং ৬ঃ 'বিসঃ' শব্দটোৰ অর্থ কি?

.....

প্রশ্ন নং ৭ঃ কিম্পুৰুষ শব্দৰ দ্বাৰা কাক বুজায়?

.....

প্রশ্ন নং ৮ঃ ৩৭ নং শ্লোকত থকা 'ৰস' শব্দই কি বুজাইছে?

.....

প্রশ্ন নং ৯ঃ 'গণ্ডুষজলং' পদে কি বুজায়?

.....

প্রশ্ন নং ১০ঃ 'আত্মেশ্বৰানাম্' পদটো ব্যাখ্যা কৰি দেখুৱাওক।

.....

৪.৪ ব্যাকৰণগত টোকা

৩১ নং শ্লোকঃ

ব্যুৎপত্তি ঃ বিম্বিত = বিম্ব + ইতচ্

বিচেৰুঃ = বি - চৰ + লিট্ উস্

বনস্থলী = বনঃ + স্থলী

স্থলী = স্থল্ + ঙীষ্

বিভক্তি নির্ণয় ঃ ৰজঃ কণৈঃ = ৰজমাং কণাঃ = অণুক্তেকর্ত্তৰি তৃতীয়া

সমাস ঃ প্রিয়াল দ্রুম মঞ্জৰীনাং = প্রিয়ালাখ্যঃ দ্রমঃ

তস্য মঞ্জৰ্যঃ = ষষ্ঠী তৎপুৰুষ।

মদোদ্ধতাঃ = মদেন উদ্ধতাঃ তৃতীয়া তৎপুৰুষ

প্রত্যনিলম্ = অনিলং প্রতি প্রত্যনিলম্ অব্যয়ীভাৱসমাস

৩২ নং শ্লোকঃ

ব্যুৎপত্তি ঃ চুকূজ = কূজ্ + লিট অ

পুংস্কোকিল = পুমান কোকিলঃ = পুমস্ + কোকিলঃ

জাতম্ = জন্ + ক্ত কর্ত্তৰি

সমাস ঃ = চূতাঙ্কুৰাস্বাদ = চূতাঙ্কুৰানাম্ (আম্রমুকুলানাম্)

আস্বাদঃ = ষষ্ঠী তৎপুৰুষ

পুংস্কোকিলঃ = পুমান্ কোকিলঃ

মনস্বিনীমানবিঘাত = মনস্বিনীনাং মানঃ (৬ষ্ঠী তৎপুৰুষ)

তস্য বিঘাতঃ ষষ্ঠী তৎপুৰুষ

৩৩ নং শ্লোকঃ

ব্যুৎপত্তি ঃ ব্যপায়াত্ = বি - অপ্ + ই + অচ্ ভাবে।

অপাত্তৰীভূতা = অপাত্তৰ + চিব্ + ভূ + ক্ত কর্ত্তৰি

চক্রে = কৃ + লিট্ এ

বিভক্তি নির্ণয় ঃ হিমব্যাপায়াত্ = হেতৌ পঞ্চমী

পত্রবিশেষকেষু = অধিকৰণে ৭মী

সমাস ঃ মুখচ্ছবীনাম্ = মুখস্য ছবিঃ (কান্তিঃ) = ষষ্ঠী তৎপুৰুষ, তাসাম্

আণ্ডৰীভূতামুখচ্ছবীনাম্ = অপাণ্ডৰীভূতাঃ মুখচ্ছবয়ঃ য়াসাম্ = বহুব্রীহি সমাস। তাসাম্

স্বেদোদ্গমঃ = স্বেদস্য (ঘর্মস্য) উদ্গমঃ (আবির্ভাৱঃ) = ষষ্ঠী তৎপুৰুষ

৩৪ নং শ্লোকঃ

ব্যুৎপত্তি ঃ আকালিকীম্ = আকাল + ঠঞ্ + ঙীপ্ + দ্বিতীয়া একবচন

বীক্ষ্য = বি - ঈক্ষ্ + ল্যপ্ = বীক্ষ্য

সংস্তম্ভিত = সম্ - স্তভ্ + ণিচ ক্ত কর্মণি

বভূবুঃ = ভূ + লিট্ + উস্

ঈশাঃ = ঈশ + অচ্ কর্ত্তৰি

বিভক্তি নির্ণয় ঃ ঈশাঃ = কর্মণি ষষ্ঠী

সংস্তম্ভিতবিক্রিয়ানাং = কর্মণি ষষ্ঠী

মধুপ্রবৃত্তিয় - মধোঃ প্রবৃত্তিঃ (ষষ্ঠী তৎপুৰুষ) তাম্

৩৫ নং শ্লোকঃ

ব্যুৎপত্তি ঃ আৰোপিত = আ - ৰুহ + নিচ্ + ক্ত কর্ত্তৰি

বিবৰ্হঃ বৃ + লিট্ উস্

আৰোপিত = ভাবে সপ্তমী

ক্রিয়য়া = কৰণে তয়া

সমাস ঃ আৰোপিত পুষ্পচাপ = পুষ্পানাং চাপম্ = ষষ্ঠী তৎপুৰুষ, আৰোপিতং পুষ্পচম্পং
য়েন = বহুব্রীহি সমাস। সঃ,

৩৬ নং শ্লোকঃ

ব্যুৎপত্তি ঃ পপৌ = পা - লিট্ + অ

অনুবর্ত্তমানঃ = অনু - বৃত্ + শানচ্ কর্ত্তৰি

অকণ্ডুয়ত = কণ্ডু +যক্ +লঙ্ +ত

বিভক্তি নির্ণয় ঃ কুসুমৈকপাত্রে = অধিকৰণে সপ্তমী

শৃঙ্গেন = কৰণে তৃতীয়া

সমাস ঃ = কুসুমৈক পাত্রে = কুসুমম্ অৰ এক পাত্রম্ = কর্মদাৰয় সমাসঃ, তস্মিন্

স্পর্শনিমীলিক্ষী = স্পর্শেন নিমীলিতে = তৃতীয়া পুৰুষ

তাদৃশে অক্ষিণী য়স্যাঃ সা = বহুব্রীহি সমাস

দ্বিৰেফঃ = দ্বৌ ৰেফৌ যস্য = বহুব্রীহি সমাস, সঃ

৩৭ নং শ্লোকঃ

ব্যুৎপত্তি ঃ পঙ্কজ = জন্ + ড কর্ত্তৰি

সম্ভাৱয়ামাস = সম্ - ভূ +নিচ্ +লিট্অ

বিভক্তি নির্ণয় ঃ ৰসাত্ = হেতৌ পঞ্চমী

গজায় = সম্প্রদানে ৪র্থী

অর্দ্ধোপভুক্তেন = কৰণে তৃতীয়া

ৰথাংগনামা = ৰথস্য অংগম্ = ষষ্ঠী তৎপুৰুষ, ৰথাংগম্

তাম্ যস্য = বহুব্রীহি সমাস

সমাস ঃ গত্ত্বষজনষ্ - গত্ত্বষস্য জনম্ (ষষ্ঠী তৎপুৰুষ)

৩৮ নং শ্লোকঃ

ব্যুৎপত্তি ঃ সমুচ্ছাসিত = সম্ + উদ্ +শ্বস্ +ণিচ্ +ক্তকর্মণি

বিভক্তি নির্ণয় ঃ গীতাস্ত্রৰেষু = অধিকৰণে সপ্তমী

শ্রমবাৰি = অনুক্তে + লেশৈঃ কর্ত্তৰি তৃতীয়া

সমাস ঃ গীতান্তৰেষু = গীতানাম্ অন্তৰাঃ = ষষ্ঠী তৎপুৰুষ তেষু

সমুচ্ছাসিতপত্রলেখা = সমুচ্ছাসিত পত্রলেখায়স্য = বহুব্রীহি সমাস

পুষ্পাসবা ঘূর্ণিত = পুষ্পাসবেন অঘূর্ণিতে = তৃতীয় তৎপুৰুষ

৩৯ নং শ্লোকঃ

ব্যুৎপত্তি ঃ অবাপুঃ = অৱ + আপ্ +লিট্ +উস্

সমাস ঃ = পর্যাপ্তপুষ্পস্তৱকস্তনাভ্যঃ = পর্যাপ্তাঃ পুষ্পস্তৱক এব স্তনাঃ য়াসাম্ = বহুব্রীহি সমাস
তাঃ, তাভ্যঃ

স্ফুৰত্প্রবাল = স্ফুৰন্তঃ প্রবালঃ = কর্মধাৰয় সমাসঃ

বিনম্রশাখা = বিনম্রাঃ চ তাঃ শাখা ঃ (কর্মধাৰয় সমাস)

৪০ নং শ্লোকঃ

ব্যুৎপত্তি ঃ বভূৱ = ভূ + লিট্ + অ

ভৱন্তি = ভূ + লট্ + অন্তি

বিভক্তি নির্ণয় ঃ আত্মেশ্বৰানাম = শেষে ষষ্ঠী

ক্ষণে = অধিকৰণে সপ্তমী

সমাস ঃ আত্মেশ্বৰানাম্ = আত্মনঃ ঈশ্বৰাঃ = ষষ্ঠী তৎপুৰুষ তেষাম্

৪.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (৩১-৪০) বিষয়বস্তু

মহাকবি কালিদাস বিৰচিত ৰঘুবংশম্ মহাকাব্যৰ তৃতীয়সর্গৰ আৰম্ভণিতে ইন্দ্রই কামদেৱক আহ্বান জনাই শিৱৰ সমাধি ভঙ্গ কৰিবৰ বাবে আদেশ দিছে। দেৱৰাজ ইন্দ্রই কামদেৱক কৈছিল যে দেৱতাসকলৰ উপকাৰৰ বাবেহে এই কাম কৰিব লাগিব—

পিয়াল গছৰ ফুলৰ পৰাগৰেণুৰ দ্বাৰা দৃষ্টিত বাধা পোৱা মদমত্ত মৃগবিলাকে বতাহৰ বিপৰীতে গছৰ শুকান পাতৰ মৰ্ মৰ্ শব্দেৰে দ্বনিত হৈ থকা বনস্থলীত বিচৰণ কৰিছিল (৩১)। আমাৰ কলি ভক্ষণ কৰি সুললিত হোৱা কণ্ঠেৰে মতা কুলি চৰায়ে যি মাত মাতিছিল, সেই মাতটোৱে অভিমানী তিৰোতাৰ মান ভঙ্গ কৰিবলৈ সক্ষম কামদেৱৰ কথা যেনহে প্রতিভাত হৈছিল (৩২)। শীতকাল আতৰি যোৱাত কিন্নৰ ৰমনীসকলৰ অধৰ নির্মল আৰু মুখলাৱন্য বগা বৰণৰ হৈ পৰিল। গৰমৰ বাবে তেওঁলোকৰ অঙ্গানুলেপণত ঘামৰ বিন্দুৱে দেখা দিছিল (৩৩)। মহাদেৱৰ আশ্রমত তপস্বীসকলে অকালতে আবির্ভাৱ হোৱা বসন্তৰ পয়োভৰ দেখি বৰ কষ্ট কৰি ইন্দ্রিয়সমূহক বিষয়ৰ পৰা আতৰাই আনি কোনোমতেহে নিজৰ মনৰ ওপৰত কর্তৃত্ব স্থাপন কৰিবলৈ সমর্থ হৈছিল (৩৪)। ফুলৰ ধেনুৰে সমন্বিত ৰতিক লগত লৈ কামদেৱ সেই আশ্রমত উপস্থিত হোৱাত ভোমোৱাসমূহৰ অন্তৰত থুপ খাই থকা উৎকৃষ্ট প্রেমৰস্ বাহ্যিক ক্রিয়াৰ দ্বাৰা প্রকাশ কৰিছিল (৩৫)। ভোমোৱাই ফুলৰ একেটা পাত্রতে নিজৰ প্রিয়তমা পত্নীক অনুসৰণ কৰি গৈ মৌ পাণ কৰিছিল কৃষ্ণসাৰ পহুৱে স্পর্শসুখত চকু আধা মেলখোৱা মৃগীজনীক শিঙেৰে খজুৱাই দিছিল (৩৬)। হস্তিনীয়ে পদুম ফুলৰ ৰেণুৰে সুগন্ধিত হৈ থকা পানী শুৰত লৈ আবেগবশতঃ মতাহাটীটোৰ গালৈ চতিয়াই দিছিল। চক্রবাক চৰাইয়ে নিজৰ পত্নীক আধাখোৱা পদুমৰ ঠাৰিৰে সম্ভাষণ জনাইছিল (৩৭)। ইফালে কিন্নৰসকলে গীতগোৱাৰ মাজে মাজে তেওঁলোকৰ পত্নীসকলক চুম্বন কৰিছিল। শ্রমৰ বাবে ঘামৰ কণিকাই মুখৰ তিলক কিছু পৰিমাণে বিগলিত হৈছিল আৰু মদ্যপাণৰ বাবে নেত্র ঘূর্ণিত হোৱাত মুখৰ বেশ সুন্দৰ দেখা গৈছিল (৩৮)। পর্যাপ্ত পৰিমাণে স্তন সদৃশ ফুলৰ থোপাৰে সমৃদ্ধা, প্রৱালৰ নিচিনা ৰঙচুৱা কুঁহিপাত সদৃশ ওঠেৰে সুশোভিতা বধূৰূপী লতা গছবিলাকক তললৈ হালি পৰা শাখাৰূপ বাহুৰে আলিঙ্গন কৰিছিল (৩৯)। অপ্সৰাসকলৰ গীত শুনি আত্মোপলব্ধি কৰা আত্মসংযমী মহাদেৱৰ তপস্যা ভঙ্গ কৰাত কোনো প্রভাৱ পেলাব পৰা নাছিল (৪০)।

৪.৬ মহত্বপূর্ণ শ্লোকৰ ভাৱার্থ

(ক) হিমব্যাপায়াদ্ বিশদাধৰাণামাপাণ্ডৰীভূতমুখচ্ছবীনাম্।
স্বেদোদ্গমঃ কিম্পুৰুষাঙ্গনানাং চক্রে পদং পত্রবিশেষকেষু ।। ৩৩।।

বসন্তঋতুৰ আগমনৰ লগে লগে প্রকৃতিৰ জড় আৰু জঙ্গম উভয়েই আকস্মিকভাৱে আনন্দতে মতলীয়া হৈ পৰিল। গছ-লতাবোৰে নতুন পাত আৰু ফুলেৰে জক্‌মকীয়া হৈ পৰিল। অশোক, বকুল, আম আদিৰ লগতে কর্ণিকাপুষ্পও ফুলি উঠিল। মহাদেৱৰ আশ্রমত অকালতে আৱির্ভাৱ হোৱা বসন্ত ঋতুৰ প্রভাৱতে মৃগকুল আনন্দতে মতলীয়া হৈ বতাহৰ প্রতিকূলে দৌৰিবলৈ ধৰিলে। নতুন আম্রমুকুল ভক্ষণ কৰি ৰঙিয়াল হোৱা পুংস্কোকিলবিলাকৰ সুমধুৰ মাতত অভিমানী তিৰোতাৰো অভিমান ভঙ্গ হ'ল। তেওঁলোক আনন্দোৎফুল্ল হৈ পৰিল। অকাল বসন্তৰ আৱির্ভাৱে কিন্নৰী ৰমনীৰো শীতত ঠেৰেঙা লগা মুখ লাৱণ্য পুণৰোদ্ভাসিত কৰি তুলিলে। শীতৰ শেষত বসন্তৰ পয়োভৰত বিভিন্ন প্রসাধনেৰে সুন্দৰী হোৱা কিন্নৰীৰমনীসকলৰো প্রসাধনত ঘামৰ কণিকা বিৰিঙি সেই প্রসাধন ধুই পেলাইছিল আৰু অতি বগা দেখা গৈছিল। তেওঁলোকৰ অধৰ নির্মল হৈ পৰিছিল।

মুঠতে অকালতে আৱির্ভাৱ হোৱা বসন্ত ঋতুৱে প্রকৃতিৰ লগতে কিন্নৰীসকলৰ ওপৰতো প্রভাৱ বিস্তাৰ কৰিছিল। আনকি মহাদেৱৰ আশ্রমৰ তপস্বীসকলেও এই বসন্তৰ পয়োভৰ দেখি অতি কষ্টৰেহে ইন্দ্রিয়সমূহক বিষয়ৰ পৰা আতৰত ৰাখিবলৈ সক্ষম হৈছিল।

(খ) মধু দ্বিৰেফঃ কুসুমৈকপাত্রে পপৌ প্রিয়াং স্বামনুবর্তমানঃ।
শৃঙ্গেন চ স্পর্শ নিমীলিতাক্ষীমৃগীমকণ্ডুয়ত কৃষ্ণসাৱঃ ।। ৩৬।।

কুমাৰসম্ভৱ মহাকাব্যৰ অকাল বসন্তৰ চিত্র নির্মাণত কালিদাসৰ অসামান্য দক্ষতা প্রকাশ হৈছে। কালিদাসে তৃতীয়সর্গত বিশ্বপ্রকৃতি আৰু মানুহৰ অন্তঃপ্রকৃতি আন্দোলিত কৰিছে। এই সর্গত প্রকৃতিৰ নৈসর্গিক চিত্র অঙ্কনে বিশেষ কৃতিত্ব দেখুৱাইছে। বসন্তৰ প্রভাৱ আশ্রমৰ জীৱ জন্তুৰ ওপৰতো পৰিছে। ভ্রমৰে ফুলৰ একেটা পাত্রতে প্রিয়াৰ সৈতে মৌপান কৰিলে। কৃষ্ণমৃগৰ স্পর্শসুখত চকুমুদি দিয়া মৃগীজনীক কৃষ্ণমৃগই শিঙেৰে খজুৱাই দিয়ে। ইয়াত ভ্রমৰে প্রিয়াৰ সৈতে একেটা পাত্রতে মধুপান কৰা আৰু কৃষ্ণমৃগই মৃগীৰ গা খজুৱাই দিয়া আদি বর্ণনাসমূহৰ দ্বাৰা কালিদাসে প্রকৃতিক ভালপোৱা দেখুৱাইছে আৰু মৃগীৰ ৰোমাঞ্চিত অৱস্থাৰ বর্ণনাৰ লগত গোটেই জগতক পুলকিত কৰি তুলিছে।

তৃতীয় সর্গত সমগ্র প্রকৃতিৰ বর্ণনাত কালিদাসে দেখুৱাইছে কামদেৱৰ প্রভাৱত পশুপক্ষী তৰু-লতা। সকলোৱেই মিলনৰ বাবে ব্যাকুল হৈ পৰিছে। কালিদাসৰ 'কুমাৰসম্ভৱ' কাব্যৰ শ্রেষ্ঠতম অংশ তৃতীয়সর্গৰ অকাল বসন্ত।



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পাঠ্যাংশৰ শ্লোকসমূহৰ (৩১-৪০) সংস্কৃত পাঠৰ লগতে গদ্যপাঠ জানিলে।
- প্রতিটো শ্লোকৰ শব্দার্থ আৰু অসমীয়া অনুবাদ জানিব পাৰিলে।
- প্রতিটো শ্লোকৰ ব্যাকৰণগত টোকা আৰু শ্লোকসমূহৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- মহত্বপূর্ণ শ্লোকৰ ভাৱার্থৰ বিষয়ে অবগত হ'ব পাৰিলে।
- মহত্বপূর্ণ শ্লোকৰ ভাৱার্থৰ বিষয়ে অবগত হ'ল।



৪.৮ অধিক জানিবলৈ

১) *দি কুমাৰসম্ভৰম্ অব্ কালিদাস* (কেণ্টা ১-৮) মতিলাল বানাৰসীদাস, দিল্লী।

২) *কালিদাস চ কুমাৰসম্ভৰম্* - (কেণ্টো - ১-৮) নাগ পাব্লিচার্চ, জৱাহৰনগৰ, দিল্লী-৭।

৩) *কুমাৰসম্ভৰম্* - (১-৫) সর্গ মহাকবি কালিদাস প্রণীতম্। সম্পাদনা - শ্রীমদ্‌গুৰুনাথ বিদ্যানিধি ভট্টাচার্য সংস্কৃত পুস্তকভাণ্ডাৰ - ৩৮, বিধানসৰণী, কলিকতা - ৭০০ ০০৬।

৪) *সংস্কৃত সাহিত্য সম্ভাৰ* (Vol. 2), নৱপত্র প্রকাশন, ১৯৮৯, ৬, বংকিম চ্যাটাজী ষ্ট্রীট, কলিকতা - ৭০০০৭৩।

৫) *মহাকবি কালিদাস প্রণীতম্ কুমাৰ সম্ভৰম্*, তৃতীয় সর্গঃ সম্পাদনা - ইন্দিৰা শইকীয়া বৰা, প্রকাশিকা, গুৱাহাটী, পাণবজাৰ।



৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ 'কৰেণু' শব্দৰ অর্থ হ'ল হস্তিনী।

২ নং প্রশ্নৰ উত্তৰঃ ৰথাঙ্গনামা শব্দটোৰ প্রতিশব্দ চক্রবাক।

৩ নং প্রশ্নৰ উত্তৰঃ চুত শব্দই আমক বুজায়।

৪ নং প্রশ্নৰ উত্তৰঃ দ্বিৰেফ মানে ভোমোৰা।

৫ নং প্ৰশ্নৰ উত্তৰঃ 'ঈশঃ' শব্দই শিৱক বুজাইছে।

৬ নং প্ৰশ্নৰ উত্তৰঃ বিসঃ শব্দটোৰ অর্থ মৃণাল।

৭ নং প্ৰশ্নৰ উত্তৰঃ কিন্নৰলোকসকলক।

৮ নং প্ৰশ্নৰ উত্তৰঃ প্ৰেমৰস।

৯ নং প্ৰশ্নৰ উত্তৰঃ হস্তিনীয়ে শুৱুত লোৱা পানী।

১০ নং প্ৰশ্নৰ উত্তৰঃ 'আত্মেশ্বৱানাম্' আত্মনঃ ঈশ্বৱাঃ (ষষ্ঠী তৎপুৰুষ) তেষাম্।

মল্লিনাথৰ মতে 'আত্মনঃ' শব্দৰ অর্থ হ'ল 'চিত্তস্য' অর্থাৎ চিত্তৰ। ঈশ্বৰ মানে হ'ল নিয়ন্ত্রণ কৰোতা অর্থাৎ জিতেন্দ্রিয়, আত্মসংযমী আদি।



৪.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কুমাৰসম্ভৱ মহাকাব্যৰ চতুর্থসর্গৰ (৩১-৪০) শ্লোকৰ বিষয়বস্তু সংক্ষেপে লিখা।

প্ৰশ্ন ২ঃ চতুর্থসর্গৰ (৩১-৪০) অন্তর্গত যিকোনো দুটা শ্লোকৰ ভাৱার্থ লিখক।

খ) ছুটি প্ৰশ্ন

প্ৰশ্ন ১ঃ তলত উল্লেখ কৰা শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক—

পুংস্কোকিল, কিম্পুৰুষাঙ্গনানাম্, ৰথাঙ্গনামা, দ্বিৰেফ, স্থানুবনৌকসঃ, মর্মৰপত্রমোক্ষা।

গ) ৰচনাধর্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কুমাৰসম্ভৱৰ তৃতীয়সর্গত বসন্তৰ আগমনত প্ৰকৃতি জগতত কি পৰিৱর্তন দেখা গৈছিল লিখক।

প্ৰশ্ন ২ঃ 'আত্মেশ্বৱানাং ন হি জাতু বিঘ্নাঃ সমাধিভেদপ্রভাবো ভৱন্তি'

ওপৰোক্ত শ্লোকাংশৰ ভাৱ বহলাই লিখক।

*** ***** ***